(ii) মৌলিক প্রয়োজনবোৰ

(iii) প্রয়োজনীয় সমাজসেৱা

(iv) পৰিৱেশ

(v) স্বাস্থ্য আৰু শিক্ষা

৮ নং প্রশ্নৰ উত্তৰ ঃ মাধ্যমিক স্তৰত জনসংখ্যা শিক্ষা গুৰুত্বপূর্ণ কিয়নো—

- **কৈশোৰ জ্ঞানত নতুনত্ব প্রদান ঃ** মাধ্যমিক শিক্ষাৰ সকলো ছাত্র-ছাত্রী সাধাৰণতে ১৫ৰ পৰা ১৮ বছৰ বয়সৰ ভিতৰৰ হয়। সিহঁত পুনৰ উৎপাদন কালৰ একেবাৰে ওচৰৰ বয়সৰ হয়। ৩ বা ৪ বছৰ বয়সৰ পিছত সিহঁতে প্রাপ্তবয়স্ক কালত প্রৱেশ কৰিব। এই স্তৰৰ জনসংখ্যা শিক্ষাৰ প্রভাৱে পৰৱর্তী জীৱনৰ বাস্তৱ পৰিস্থিতিত জ্ঞানৰ প্রয়োগত সহায় কৰিব।
- **সহজে প্রস্তুত ঃ** প্রাথমিক পর্যায়ৰ শিক্ষাৰ তুলনাত মাধ্যমিক পর্যায়ৰ পাঠ্যক্রম প্রস্তুত কৰাটো সহজ কিয়নো বয়স আৰু ব্যাপক অভিজ্ঞতাৰ দিশেৰে এই স্তৰৰ ছাত্র-ছাত্রীসকল আগবঢ়া। সিহঁতে অতি সহজে জনসংখ্যা বৃদ্ধি আৰু ইয়াৰ লগত সম্বন্ধিত অন্যান্য চলকৰ লগতে সমগ্র বিশ্বৰ মাধ্যমিক স্তৰৰ ছাত্র-ছাত্রীৰ বাবে জনসংখ্যা শিক্ষাৰ ব্যাপক কার্যসূচী প্রস্তুত কৰিব লাগে।

৯ নং প্রশ্নৰ উত্তৰ ঃ যৌন জীৱনৰ কেতবোৰ বিষয় হ'ল—

(i) যৌন শিক্ষাৰ পৰিচয়

- যৌন বিচলনৰ ধাৰণা।
- এইচ আই ভি/এইডচৰ মৌলিক তথ্য আৰু ইয়াৰ কাৰণ, লক্ষণ আৰু উন্নত জীৱনৰ বাবে প্রতিৰোধকৰণ।
- যৌন কার্য প্রণালী।
- মানৱ পুনৰ উৎপাদনৰ ধাৰণাৰ লগত শৰীৰতত্ব আৰু স্বাস্থ্য বিজ্ঞানৰ সম্বন্ধ।
- বিভিন্ন মানৱ গ্রন্থিৰ গঠন, প্রকাৰ আৰু কার্যাৱলী।
- বিভিন্ন যৌন ৰোগ যেনে— এইচ আই ভি, এইডচ আদিৰ মৌলিক জ্ঞান।

১০ নং প্রশ্নৰ উত্তৰ ঃ মাধ্যমিক পর্যায়ৰ জনসংখ্যা শিক্ষাৰ বিষয়বোৰ সংহতকৰণৰ ক্ষেত্রত ভাষাৰ বিষয়বোৰ হ'ল

- সৰু পৰিয়াল, জনসংখ্যা বৃদ্ধি, শিক্ষাৰ গুৰুত্ব, মহিলা শিক্ষা, স্বাস্থ্য আৰু স্বাস্থ্যবিজ্ঞানৰ অভ্যাস আদিৰ ওপৰত কবিতা।
- জনসংখ্যা বৃদ্ধি, পৰিয়াল পৰিকল্পনা কার্যসূচী, সাক্ষৰতা, মানৱ অধিকাৰ, সৰু পৰিয়াল, গৃহৰ সমস্যা, পৰিৱেশ প্রদূষণ আদিৰ ওপৰত ৰচনা।
- সৰু পৰিয়াল আৰু ডাঙৰ পৰিয়ালৰ তুলনা কৰা পৰিয়ালকেন্দ্রিক নাটক।
- জাতীয় নেতাৰ আত্মজীৱনী আৰু জীৱনী আৰু জনসংখ্যা বিষয়ত তেওঁলোকৰ মতামত।